**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। দুদিনীয়া ভ্ৰমণসূচীৰে ব্ৰিটেইনলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দেশখনৰ ৰজা তৃতীয় ছাৰ্লছৰ সৈতে বৈঠকত মিলিত হ'ব।

২। পাকিস্তানী বিমান ভাৰতৰ আকাশমাৰ্গত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা ২৩ আগষ্টলৈ বৃদ্ধি কৰা হৈছে।

৩। ভাৰতৰ বহনক্ষম ফেচন বিপ্লৱক নেতৃত্ব দিয়াৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ অপৰিসীম সম্ভাৱনা আছে বুলি ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাস কৰিছে।

৪। ৰাষ্ট্ৰীয় ছিকল চেল অভিযানৰ অধীনত মুঠ ৬ কোটি লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হৈছে। *আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ আজি অ'ল্ড ট্ৰেফ'ৰ্ডত আৰম্ভ হ'ব।

ooooo

চৰকাৰী কাৰ্যসূচীৰে ব্ৰিটেইনলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি সন্ধিয়া দেশখনত উপস্থিত হ'ব। ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰৰ আমন্ত্ৰণমৰ্মে শ্ৰীমোদী দেশখনলৈ গৈছে। আঞ্চলিক আৰু বিশ্বব্যাপী প্ৰাসংগিক বিষয়সমূহ সন্দৰ্ভত দুয়োগৰাকী নেতাই আলোচনা কৰাৰ কথা। লণ্ডনত আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা বতৰাত ব্ৰিটেইনত ভাৰতৰ উচ্চায়ুক্ত বিক্ৰম কুমাৰ ডৰেইস্বামীয়ে কয়, যে এই ভ্ৰমণে উভয় ৰাষ্ট্ৰকে উপকৃত কৰিব। তেওঁ লগতে কয়, যে মুক্ত বাণিজ্য সন্দৰ্ভত এখন চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে আৰু ই দুয়োখন ৰাষ্ট্ৰৰে অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পেলাব। ইয়াক এখন উচ্চাকাংক্ষী নথি বুলি উল্লেখ কৰি শ্ৰীডৰেইস্বামীয়ে কয়, যে মুক্ত বাণিজ্য চুক্তিয়ে ভৱিষ্যতৰ সুযোগসমূহৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি উভয় ৰাষ্ট্ৰৰ মাজত নতুন অংশীদাৰিত্ব নিৰ্মাণ কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু ব্ৰিটেইনৰ আগশাৰীৰ ব্যৱসায়ীসকলৰ সৈতেও মত বিনিময় কৰিব। ব্ৰিটেইনৰ ৰজা তৃতীয় চাৰ্লছৰ সৈতে হ'বলগীয়া বৈঠকখন কাইলৈ অনুষ্ঠিত হ'ব বুলি শ্ৰীডৰেইস্বামীয়ে উল্লেখ কৰে। এয়া হ'ব প্ৰধানমন্ত্ৰী মোদীৰ চতুৰ্থটো ইংলেণ্ড ভ্ৰমণ।

প্ৰধানমন্ত্ৰী মোদীয়ে ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুৰ আমন্ত্ৰণত ২৫ আৰু ২৬ জুলাইত মালদ্বীপ ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে মালদ্বীপৰ স্বাধীনতাৰ ৬০ বছৰীয়া জয়ন্তী উপলক্ষে উদ্‌যাপন হ'বলগীয়া অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

ooooo

পাকিস্তানী বিমান ভাৰতৰ আকাশমাৰ্গত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা ২৩ আগষ্টলৈ বৃদ্ধি কৰা হৈছে। অসামৰিক বিমান পৰিবহণ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী মুৰলীধৰ মহলে এই বিষয়ে জানিবলৈ দিয়ে।

তেওঁ কয়, যে এই সিদ্ধান্তই কৌশলগত দৃষ্টিকোণ আৰু সুৰক্ষা বিধি সন্দৰ্ভত দিয়া গুৰুত্বকে প্ৰতিফলিত কৰে। পাকিস্তানে নিজৰ আকাশমাৰ্গত ভাৰতীয় বিমানৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ পাছত ভাৰতে এই ব্যৱস্থা গ্ৰহণ কৰিছিল। পাকিস্তানেও ভাৰতীয় বিমানসমূহৰো নিজৰ আকাশমাৰ্গত প্ৰৱেশৰ নিষেধাজ্ঞা ২৪ আগষ্টলৈ বৃদ্ধি কৰিছে। ইপিনে আজিৰে পৰা ২৫ তাৰিখলৈ ভাৰত-পাকিস্তান সীমান্তৰ ৰাজস্থানত হ'বলগীয়া ভাৰতীয় বায়ুসেনা বাহিনীৰ অনুশীলনৰ ক্ষেত্ৰতো ন'টেম জাৰি কৰা হৈছে। ভাৰতীয় বায়ুসেনা, ৰাজস্থানৰ বাৰমেৰৰ পৰা যোধপুৰৰ বিস্তীৰ্ণ এলেকা সামৰি এটা বিশাল সৈনিক অনুশীলনৰ বাবে সাজু হৈছে। উল্লেখযোগ্য যে এই এলেকাটোত অপাৰেচন সিন্দূৰৰ সময়ত ৰাজস্থানৰ বাৰমেৰ, জেইছলমেৰ, বিকানেৰ আৰু শ্ৰীগংগানগৰ জিলাক লক্ষ্য পাকিস্তানী ড্ৰোন আৰু ক্ষেপণাস্ত্ৰৰ আক্ৰমণ পৰিলক্ষিত হৈছিল।

ooooo

ভাৰতৰ বহনক্ষম ফেশ্বন বিপ্লৱৰ নেতৃত্ব দিয়াৰ ক্ষেত্ৰত উত্তৰ- পূবৰ অপৰিসীম সম্ভাৱনা আছে। উত্তৰ পূৱৰ হস্ততাঁত আৰু হস্তশিল্প খণ্ডক শক্তিশালী কৰাৰ বাবে আয়োজন কৰা উচ্চ পৰ্যায়ৰ টাস্ক ফ'ৰ্চৰ বৈঠকত ভাৰ্চুৱেলি অংশগ্ৰহণ কৰি উত্তৰ পূৰ্বাঞ্চলৰ কেন্দ্ৰীয় যোগাযোগ আৰু উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি এইদৰে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পৰিৱেশ আৰু সৰলীকৰণৰ বাবে ফেশ্বন দৃষ্টিভংগীক প্ৰতিফলিত কৰি শ্ৰী সিন্ধিয়াই কয়, যে পৰিৱেশৰ সৈতে ভাৰসাম্যতা, শিল্পকৰ্মৰ বিশেষজ্ঞতা আৰু ব্যতিক্ৰমী কাৰুকাৰ্যৰ উত্তৰাধিকাৰীৰে চহকী উত্তৰ পূৰ্বাঞ্চলে ফেশ্বনক বিশ্বব্যাপী সেউজ আৰু সৰ্বাংগীন কৰি তোলাৰ ক্ষেত্ৰত নেতৃত্ব দিব। তেওঁ কয় যে উত্তৰ পূৱে হস্ততাঁত আৰু হস্তশিল্পৰ ক্ষেত্ৰত নিজৰ চহকী ঐতিহ্যৰ সহায়ত জীৱিকা সৃষ্টিৰ লগতে ভাৰতৰ সাংস্কৃতিক উত্তৰাধিকাৰক বিশ্বৰ মঞ্চত স্থান দিব লাগিব। এই বৈঠকত উন্নয়নমূলক বজাৰ ব্যৱস্থা, প্ৰযুক্তিৰ ব্যৱহাৰ, সামৰ্থ্য বিকাশ আৰু বহনক্ষম জীৱিকা সৃষ্টিৰ জৰিয়তে হস্তশিল্প আৰু হস্ততাঁত পৰিৱেশ তন্ত্ৰক পুনৰুজ্জীৱিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে হস্ততাঁত আৰু হস্তশিল্প খণ্ডৰ বাবে এক পৰিৱৰ্তনশীল পৰিকল্পনা উন্মোচন কৰাৰ লগতে দক্ষতা আৰু বিকাশৰ জৰিয়তে আধুনিকীকৰণৰ বাবে আহ্বান জনায়।

ooooo

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই ৰাজ্যখনৰ সন্ত্ৰাসবাদত প্ৰভাৱিত হোৱা পৰিয়ালসমূহক সমৰ্থন কৰাৰ উদ্দেশ্যেৰে এটা ৱেব প'ৰ্টেল মুকলি কৰিছে। এই ৱেব প'ৰ্টেলটোৰ জৰিয়তে কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ সন্ত্ৰাসবাদত প্ৰভাৱিত লোকসকলক সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা খৰতকীয়া কৰাৰ লগতে অন্যান্য সহায়-সমৰ্থন সময়মতে আগবঢ়োৱাৰ ব্যৱস্থা কৰা হ'ব। কালি মুকলি কৰা এই ৱেব প'ৰ্টেলটোৰ জৰিয়তে জিলাভিত্তিক তথ্য সংগ্ৰহ কৰাৰ লগতে আগবঢ়োৱা সাহায্যৰ নিৰীক্ষণ তথা কোনো প্ৰকৃত ভুক্তভোগী যাতে বাদ পৰি নাযায় তাক নিশ্চিত কৰা হ'ব। এই পদক্ষেপৰ জৰিয়তে বিত্তীয় আৰু এককালীন সাহায্যৰ উপৰি ভুক্তভোগী পৰিয়ালৰ লোকক নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব। উপ-ৰাজ্যপালে নিজাববীয়াকৈ এই ব্যৱস্থাৰ পৰ্যবেক্ষণ কৰাৰ লগতে সময়মতে সহায় আগবঢ়োৱা আৰু ব্যৱস্থাটো স্বচ্ছ কৰি ৰখাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। কোনো ভুক্তভোগীৰ বিনষ্ট হোৱা সম্পত্তিৰো তথ্য নথিভুক্ত কৰা হ'ব। ইয়াৰ বাবে জম্মু আৰু কাশ্মীৰত বিনামূলীয়া হেল্পলাইন সেৱাৰো ব্যৱস্থা কৰা হৈছে।

ooooo

ৰাষ্ট্ৰীয় ছিকল চেল অভিযানৰ অধীনত মুঠ ৬ কোটি লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। ইয়াৰে ২ লাখ ১৫ হাজাৰ লোকৰ মাজত ৰোগবিধ ধৰা পৰাৰ উপৰি ১৬ লাখতকৈও অধিক লোকক এই ৰোগৰ বাহক হিচাপে চিনাক্ত কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ মতে মধ্য প্ৰদেশ, গুজৰাট, ৰাজস্থান, তেলেংগানা, কৰ্ণাটক আৰু উত্তৰাখণ্ডত নিৰ্ধাৰিত লক্ষ্যতকৈ অধিক পৰীক্ষা সম্পন্ন হৈছে। ওড়িশা, চত্তিশগড়, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু গুজৰাটত সৰ্বাধিক ৰোগীক চিনাক্ত কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় ছিকল চেল ৰক্তহীনতা নিৰ্মূলকৰণ অভিযান ২০২৩ চনত মুকলি কৰিছিল। এই অভিযানৰ জৰিয়তে ২০৪৭ চনৰ ভিতৰত দেশৰ পৰা ছিকল চেল ৰক্তহীনতা সম্পূৰ্ণ নিৰ্মূল কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। জনজাতীয় অঞ্চলকে ধৰি সমগ্ৰ দেশৰ জন্মৰ পৰা ৪০ বছৰ বয়সৰ ৭ কোটি লোকক এই অভিযানৰ জৰিয়তে পৰীক্ষা কৰাৰ লক্ষ্য লোৱা হৈছে।

00000

যুৱ সৱলীকৰণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে দিল্লী চৰকাৰে অলিম্পিক আৰু পেৰালিম্পিকৰ পদক বিজয়ীসকলৰ বাবে নগদ ধনৰ পৰিমাণ বৰ্তমানৰ ৩ কোটিৰ পৰা ৭ কোটি টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। কালি নতুন দিল্লীত মুখ্যমন্ত্ৰী ৰেখা গুপ্তাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত মুখ্যমন্ত্ৰী খেল প্ৰোত্‌সাহন আঁচনিৰ অধীনত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই আঁচনিৰ অধীনত অলিম্পিক আৰু পেৰালিম্পিকত সোণৰ পদক বিজয়ীসকলে ৭ কোটি টকা, ৰূপৰ পদক বিজয়ীসকলে ৫ কোটি টকা আৰু ব্ৰঞ্জৰ পদক বিজয়ীসকলে ৩ কোটি টকা লাভ কৰিব। তদুপৰি অলিম্পিকত সোণ আৰু ৰূপৰ পদক বিজয়ীসকলে এ গ্ৰেড চৰকাৰী পদৰ বাবে যোগ্যতা অৰ্জন কৰিব। একেদৰে এছিয়ান আৰু পেৰা এছিয়ান গেমছৰ স্বৰ্ণ পদক বিজয়ীক ৩ কোটি টকা, ৰূপৰ পদক বিজয়ীক ২ কোটি আৰু ব্ৰঞ্জৰ পদক বিজয়ীক ১ কোটি টকা প্ৰদান কৰা হ'ব।

00000

ভাৰতীয় নৌসেনাই নতুন দিল্লীত আজি এদিনীয়া জাহাজ নিৰ্মাণ আলোচনা চক্ৰৰ আয়োজন কৰিব। জাহাজ নিৰ্মাণৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণ বিষয়ক আলোচনা চক্ৰখনে চৰকাৰ, ভাৰতীয় নৌসেনা, জাহাজ নিৰ্মাণ কাৰখানা, উদ্যোগ আৰু শিক্ষাবিদসকলক একত্ৰিত কৰিব। এই অনুষ্ঠানত জাহাজ নিৰ্মাণৰ সৈতে জড়িত বিভিন্ন নীতিগত দিশৰ ওপৰত সংহত আৰু উন্নয়নমুখী আলোচনা কৰা হ'ব। এই অনুষ্ঠানৰ সময়ত অংশগ্ৰহণকাৰীসকলে বিশ্বজুৰি কাৰ্যকৰী হৈ থকা ভৱিষ্যত প্ৰযুক্তিসমূহৰ বিষয়ে অন্বেষণ কৰাৰ উপৰি বিশ্বৰ মানদণ্ড পূৰণ কৰিব পৰা জাহাজ যোগান ধৰাৰ ক্ষেত্ৰত ভাৰতীয় জাহাজ নিৰ্মাণ কাৰখানা আৰু উদ্যোগে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ সমাধানৰ বিষয়ে আলোচনা কৰিব।

00000

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ আজি অ'ল্ড ট্ৰেফ'ৰ্ডত আৰম্ভ হ'ব। শৃংখলাটোত আলহী দলটো ১-২ ৰ ব্যৱধানত পিছপৰি আছে। বাৰ্মিংহাম টেষ্টত ১০ টা উইকেট দখল কৰা আকাশদীপে চতুৰ্থ টেষ্টত আঘাতৰ বাবে অংশগ্ৰহণ কৰিব নোৱাৰে। নীতিশ কুমাৰ ৰেড্ডিকো আঘাতৰ বাবে দলৰ পৰা বাহিৰত ৰখা হৈছে। খেলখনৰ পূৰ্বে কালি অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত সংবাদমেলত অধিনায়ক শুভমন গীলে ভাৰতীয় দলৰ বেটিং দুৰ্বলতাৰ কথা অস্বীকাৰ কৰে আৰু আজিৰ খেলখনত ভাৰতীয় বেট্‌ছমেনসকলে ভাল প্ৰদৰ্শন কৰিব পাৰিব বুলি আস্থা প্ৰকাশ কৰে। উইকেট ৰক্ষক ঋষভ পণ্টে চতুৰ্থ টেষ্টত ভাগ ল'ব বুলি শুভমন গীলে নিশ্চিত কৰে।

ইংলেণ্ডে তৃতীয় টেষ্টত খেলা দলটোৰ ছোৱেইব বছিৰৰ স্থানত লিয়াম ড'ছনক অন্তৰ্ভুক্ত কৰিছে। ভাৰতীয় সময় অনুসৰি আজি বিয়লি চাৰে তিনি বজাত খেলখন আৰম্ভ হ'ব।

ooooo

তিনিখনীয়া মহিলা এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত কালি ভাৰতে ইংলেণ্ডক ১৩ ৰানত পৰাস্ত কৰি ২-১ৰ ব্যৱধানত শৃংখলা দখল কৰে। ছেষ্টৰ লী ষ্ট্ৰীটত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে বেট ধৰি ভাৰতীয়ে দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ৩১৮ ৰান কৰে। ৩১৯ ৰানৰ প্ৰত্যাহ্বানমূলক লক্ষ্য অনুসৰণ কৰি ইংলেণ্ডৰ মহিলা দলটোৱে ৪৯ অভাৰ ৫টা বলত আটাইকেইটা হেৰুৱাই ৩০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ অধিনায়ক হৰমন প্ৰীতে ৮৪টা বলত ১০২ ৰান আৰু ক্ৰান্তি গৌৰে ভাৰতৰ হৈ ৬টা উইকেট দখল কৰে। হৰমন প্ৰীতক প্লেয়াৰ অৱ দা মেচ আৰু প্লেয়াৰ অৱ দা ছিৰিজ হিচাপে ঘোষণা কৰা হয়।

ooooo

সমাপ্ত